**বিদ্যালয়ৰ উত্তৰণৰ অৰ্থে শিক্ষণতত্ত্বৰ নেতাৰূপে অধ্যক্ষৰ কল্পদৃষ্টি, অভিযান আৰু পথচিত্ৰৰ নিৰ্ধাৰণ (Setting Vision, Mission and Road Map for School Improvement as Pedagogical Leader)**

ড° দেৱ কুমাৰ দত্ত
অৱসৰী যুটীয়া সঞ্চালক,
ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ,অসম

**প্ৰস্তাৱনা (Preamble):**

বিদ্যলয়খনক শিকন সংস্থাৰ ৰূপত গঢ় দিবলৈ আৰু শৈক্ষিক দিশত উত্তৰণ ঘটাবলৈ প্ৰতিগৰাকী শিক্ষক আৰু অভিভাৱকে ইজনে সিজনক সহায় কৰি তাৰ কাৰ্যৱলীসমূহ দক্ষতাৰে পৰিচালিত কৰিবলৈ অংশীদাৰসকলক বা নিজে নিজক ৰূপান্তৰিত নিৰ্দিষ্ট লক্ষ্যত উপনীত হ'বলৈ কল্পদৃষ্টি বা দৃষ্টিভংগী প্ৰস্তুত কৰিব লাগিব। প্ৰধান শিক্ষক, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকল সদায় বিদ্যালয়ৰ মূৰব্বীজনৰ দৃষ্টিভংগীৰে পৰিচালিত হয়। এজন কাৰ্যক্ষমনেতা হিচাপে প্ৰতিষ্ঠিত হ'বলৈ আপুনি এক সমভাগী দৃষ্টিভংগী প্ৰস্তুত কৰক। বিদ্যালয়ৰ বিভিন্ন ধৰণৰ সমস্যাৱলীৰ সমাধানৰ বাবে আপুনি গ্ৰহণ কৰা কৌশলবোৰ যেনে-আপোনাৰ সিদ্ধান্ত গ্ৰহণ, সময়ত বিদ্যালয় পৰিচালনা কৰা, বিভিন্ন ধৰণৰ কাৰ্যাৱলী সুচাৰুৰূপে সম্পাদন কৰিবলৈ দায়িত্ব আৰু কৰ্ত্তব্য নিৰ্ধাৰণ কৰা, শিক্ষক শ্ৰেণীক দায়িত্বশীল কৰা, গতানুগতিক শিক্ষণ-শিকন কাৰ্যৰ ৰূপান্তৰ কৰা, বহুভিত্তিক পদ্ধতি অৱলম্বন কৰা ইত্যাদি এনে কাৰ্যাৱলী শিক্ষণতত্ত্বৰ নেতা প্ৰধান শিক্ষকৰ দৃষ্টি, লক্ষ্য আৰু উদ্দেশ্যবোৰ বাস্তৱ ক্ষেত্ৰত ৰূপায়ণ কৰিবলৈ আপুনি নিজে এজন কাৰ্যক্ষম নেতাৰূপে পথঅনুসৰণ কৰি আগবাঢ়ি বিদ্যালয়খনৰ নেতৃত্ব বহন কৰক। আপুনি বিদ্যালয়খনৰ পৰিবৰ্তন আৰু কাৰ্যক্ষমতা বৃদ্ধি কৰিবলৈ হলে নিম্নলিখিত চাৰিটা ক্ষেত্ৰত গুৰুত্ব দিয়কঃ

**ক্ষেত্ৰঃ ১-** বিদ্যালয়খনৰ দৈনন্দিন লক্ষ্যবোৰ, সপ্তাহিক, মাহেকীয়া, বছৰেকীয়া ৰূপত আপোনাৰ বিদ্যালয় পৰিকল্পনাৰ অন্তৰ্গত কৰক।

**ক্ষেত্ৰঃ ২-** নিৰ্দিষ্ট সময় সীমাৰ ভিতৰত ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতিৰ পৰীক্ষা কৰি সমাজত বা অভিভাবকৰ আগত প্ৰকাশ কৰি আলোচনা কৰক।

**ক্ষেত্ৰঃ ৩-** শিক্ষকৰ ভূমিকা আৰু দায়িত্ববোধ নিৰ্দিষ্ট সময়ত সম্পন্ন কৰাওক।

**ক্ষেত্ৰঃ ৪-** শৈক্ষিক আৰু সামাজিক পটভূমিত আৰ্থিক, প্ৰশাসনিক দিশবোৰ পৰ্যালোচনা কৰি দক্ষতাপূৰ্ণভাৱে পালনৰ ব্যৱস্থা কৰক।

উল্লিখিত দিশবোৰ বিদ্যালয়খনত প্ৰয়োগ কৰি দায়িত্ব লৈ বিদ্যালয়খন ৰূপান্তৰ কৰি ৰূপান্তৰকাৰী নেতা (Transformative Leader) হৈ ৰণনীতি গ্ৰহণত সফলতা অৰ্জন কৰি আগবাঢ়ক।

**মডিয়ুলৰ লক্ষ্যবোৰ (Learning Objectives):**

১) বিদ্যালয়খনত শৈক্ষিক উত্তৰণ ঘটাবলৈ আৰু ৰূপান্তৰিত ৰূপত প্ৰতিষ্ঠিত কৰিবলৈ সমৰ্থ হ'ব।

২) শিক্ষণতত্ত্বৰ ক্ষেত্ৰত যথাযথ মূল্যাৰোপ কৰাৰ উপৰি বাস্তৱ জীৱনৰ প্ৰাসংগিক দিশত আগবাঢ়িবলৈ সক্ষম হ'ব।

৩) শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলক শিকনৰ দায়বদ্ধতাৰ বিষয়ে সজাগ কৰাৰ উপৰি বিদ্যালয় সমভাগী অভিযানত অংশ ল'বলৈ বা অংশীদাৰী হ'বলৈ সমৰ্থবান কৰি তুলিব।

**ব্যৱহৃতমূল শব্দবোৰ (Keywords used):**

শিক্ষণতত্ত্বৰ নেতা (Pedagogical Leader), বিদ্যালয়ৰ উন্নতিৰ পথচিত্ৰ (Road Map for School Improvement), অভিযান (Mission), দৃষ্টিভংগী (Vision), বহুভিত্তিক পদ্ধতি (Multiple Method), শিকন সংস্থা (Learning Organisation), আত্ম-মূল্যায়ন (Self Evaluation), প্ৰতিশ্ৰুতিবদ্ধ (Commitment), সহযোগকৰণ (Collaboration).

| |
|---|
| স্ব-মূল্যায়ন কৰক (Self Evaluation) কিয়নো অগ্ৰাধিকাৰৰ আধাৰত আপোনাৰ বিদ্যালয়খনৰ পৰিস্থিতিৰ ক্ষেত্ৰত উল্লেখ কৰা চাৰিটা ক্ষেত্ৰ কেনেধৰণে ৰূপায়ণ কৰিছে ? সহকাৰী শিক্ষকৰ লগত আলোচনা বিলোচনা কৰি বিদ্যালয়ত ফলপ্ৰসূ ৰূপায়ণৰ কাৰ্যাৱলী গ্ৰহণ কৰক (আলোচনাৰ সময় ২৫ মিনিট)। |

আপোনাৰ শিক্ষণতত্ত্বৰ দক্ষতা প্ৰকাশ কৰিবলৈ শিক্ষক সমাজৰ সভা-সমিতিত তলৰ দিশ ৬ টা আলোচনা কৰক, প্ৰতিটো আলোচনাৰ বাবে ১০ মিনিট কৈ লওক।

১) শিক্ষকৰ বৃত্তিগত দিশ উন্নতি কৰিবলৈ, শিক্ষণ-শিকন ফলপ্ৰসূ কৰিবলৈ আপোনাৰ মতামত আগবঢ়াওক।

২) বৃত্তিমূখী শিকনৰ সম্প্ৰদায় (Professional Learning Community) সৃষ্টি কৰা বা গঠন কৰক আৰু বিদ্যালয়ৰ শিকন কাৰ্যতা অন্তৰ্ভূক্ত কৰি ফলাফল বৃদ্ধি কৰক, নিজেও শিকন সম্প্ৰদায়ৰ সদস্য হিচাপে সেৱা আগবঢ়াওক।

৩) সমকক্ষ শ্ৰেণী বা বিদ্যালয়ৰ মাজত উদ্ভাৱনমূলক শিকনত সহায়ৰ হাত আগবঢ়াওক। শ্ৰেণীত উদ্ভাৱনৰ প্ৰয়োজন আছে নেকি ?

৪) বিদ্যালয়ৰ সভাবোৰত কৰ্ম্মচাৰীসকলৰ কাৰ্যদক্ষতা আৰু বিদ্যালয়ৰ উন্নয়ন পৰিকল্পনাত নিজৰ নিজৰ ভূমিকা কি কি হ'ব ভাবি নিশ্চিত কৰি ৰূপায়ণ কৰিবলৈ সহায় কৰক ।

৫) বিদ্যালয়খনক নতুন ৰূপত গঢ় দিবলৈ শিক্ষক, কৰ্ম্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ সপোনবোৰ, মূল্যবোধৰ লগত লক্ষ্যবোৰ পৰ্যালোচনা কৰি আগবাঢ়ি যাবলৈ উপদেশ প্ৰদান কৰক ।

৬) শিক্ষক সম্প্ৰদায়ক বিদ্যালয়খনত সূক্ষ্ম গৱেষণা (Micro Research) আৰু কাৰ্যভিত্তিক গৱেষণা (Action Research) কৰিবলৈ উৎসাহ দিয়ক।

**প্ৰতিফলিত প্ৰশ্ন (Reflective Questions):**

১) আপোনাৰ বিদ্যালয়খনত প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ শিকন ক্ষমতা বৃদ্ধি কৰিবলৈ কি কি কাৰ্য কৰিব ?

২) বিদ্যালয়খনৰ শিক্ষণ-শিকনৰ পৰিৱেশ কেনেকৈ উন্নিত হ'ব ?

**বিদ্যালয়খনৰ দৃষ্টিভংগী প্ৰস্তুত কৰণ (Preparation of School Vision):**

প্ৰধান শিক্ষক হিচাপে আপোনাৰ বিদ্যালয়খন কেনেৰূপত গঢ় দিব বিচাৰে ? বিদ্যালয়ত কি প্ৰস্তুত কৰিছে ? বৰ্ত্তমান বিদ্যালয়ৰ শৈক্ষিক স্থিতি কি আৰু কিয় এনে অৱস্থাত আছে, চিন্তা কৰক । (এইটো এটা প্ৰধান শিক্ষকৰ চিন্তনীয় বিষয়)

**বিদ্যালয়খনৰ উন্নতিত আপোনাৰ সমভাগী দৃষ্টিভংগী আৰু অভিযান (Shared Vision and Mission for School Improvement):**

আপোনাৰ দৃষ্টিভংগী বাস্তৱত ৰূপায়ণ কৰিবলৈ কেনেধৰণে অভিযান হাতত ল'ব, তেনেধৰণৰ কাৰ্য ৰূপায়ণ আপোনাৰ নেতৃত্বৰ ক্ষেত্ৰতহে নিৰ্ভৰশীল। প্ৰধান শিক্ষকৰ দায়িত্ব আৰু কৰ্ত্তব্য কেনেকৈ পালন কৰিছে বা সমাধান কৰিছে এবাৰ ভাবক । আপোনাৰ দৃষ্টিভংগীৰ আধাৰত এতিয়াই নিৰ্ধাৰণ কৰক । বিদ্যালয়ৰ সকলো শিক্ষক-কৰ্ম্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকল আপোনাৰ সমভাগী নে ? সকলোজনৰ চিন্তা-ভাৱনা, মনৰ অভিপ্ৰায় একে দিশলৈ আনি কি সূত্ৰৰে এক কৰিব বা লগত লৈ আগবাঢ়িব ? সহকৰ্মীসকলে বিদ্যালয়ৰ পৰা কি পাবলৈ আশা কৰে ? বিদ্যালয়ৰ উন্নতিৰ কাৰণে শিক্ষকসকলৰ লক্ষ্য, দৃষ্টিভংগী সমভাগী নে ? আপোনাৰ লগত একে মতনে ?

দৃষ্টিভংগী আগত লৈ লক্ষ্য নিৰ্ধাৰণ কৰি পৰিকল্পনা প্ৰস্তুত কৰক। এই প্ৰস্তুতিৰ ক্ষেত্ৰত শিক্ষক, ছাত্ৰ-ছাত্ৰী, প্ৰধান শিক্ষকজনেও এক সমভাগী ধ্যান ধাৰণাৰে ভৱিষ্যতৰ বিদ্যালয়খন গঢ় দিবলৈ বিচাৰে

আমি সকলোৱে এক আদৰ্শৱান আশা লৈ কৰ্মক্ষেত্ৰত আগবঢ়া উচিত। বিদ্যালয়ৰ প্ৰয়োজনীয়তা আৰু প্ৰয়োগৰ লগত সৰ্বোত্তম হ'বলৈ সকলোজনকে অনুপ্ৰেৰণ প্ৰদান কৰা আপোনাৰ দায়িত্ব।

আলোচনাত আগবাঢ়কঃ

| |
|---|
| বিদ্যালয়খনৰ দৃষ্টিভংগী প্ৰস্তুত কৰোঁতে প্ৰধান শিক্ষক হিচাপে আপুনি কেনেধৰণৰ ব্যক্তিৰ অংশগ্ৰহণ নিশ্চিত কৰিব ? ১৫ মিনিট সময় নিৰ্ধাৰণ কৰক। |

**পুনৰ আলোচনা কৰক-** বেলেগ বেলেগ কাৰ্যসমাধানৰ বাবে সৰু সৰু দল প্ৰস্তুত কৰক।

- আমি তেখেতৰ দৃষ্টিভংগী পৰামৰ্শৰ পৰা সফলপ্ৰাপ্ত হ'ব পাৰিম নে ?
- তেখেতৰ বক্তব্যত ফুটি উঠা দৃষ্টিভংগী বাস্তৱক্ষেত্ৰত ৰূপায়ণ কৰিম নে ?
- যিবিলাক কাৰ্যকলাপ নিজে সিদ্ধান্ত গ্ৰহণৰ ভূমিকা থাকে আৰু দৃষ্টিভংগীক ৰূপায়ণৰ ক্ষেত্ৰত অংশগ্ৰহণত সহজ কৰে, তেনেধৰণৰ দৃষ্টিভংগী আমি হাতত লৈছোনে ?

আপোনাৰ শিক্ষকসকলক ৪ টা সৰু সৰু দলত দল গঠন কৰক। দলত ২০ মিনিট সময় আলোচনা কৰি সিদ্ধান্ত গ্ৰহণ কৰি আপোনাক জনাওক। তলৰ বিষয় কেইটা আলোচনা কৰক-

১) ২০২৫ চনৰ ভিতৰত আমাৰ বিদ্যালয়ৰ সকলোবোৰ ছাত্ৰ-ছাত্ৰীয়ে কমেও ৯৫ শতাংশ নম্বৰ পাব লাগিব। HSLC/HSSLC পৰীক্ষা বাবে আমাৰ প্ৰস্তুতি কেনেধৰণৰ হ'ব ?

২) ছাত্ৰ-ছাত্ৰীৰ মনত ভয়-ভীত নোহোৱা পৰিৱেশ বিদ্যালয়ত সৃষ্টি কৰক, ছাত্ৰ আৰু শিক্ষকৰ সম্পৰ্ক বন্ধুত্বপূৰ্ণ কৰক, বিদ্যালয়ত উপস্থিতিৰ হাৰ বৃদ্ধি কৰাওক, নামভৰ্ত্তি বা যোগদানৰ হাৰ প্ৰতি বচৰি বৃদ্ধি কৰি শিকনৰ স্তৰ বৃদ্ধি কৰাওক। সিদ্ধান্ত গ্ৰহণ কৰক অহা তিনি/চাৰি বছৰত শিকনৰ স্তৰ ১০০ শতাংশলৈ আগবাঢ়িব। তেনে ক্ষেত্ৰত আমাৰ কৰণীয় কাৰ্যৱলীবোৰ কি হ'ব ?

৩) শিকনৰ সুবিধাবোৰ ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰক। নিশ্চিত কৰক, যাতে সকলোৱে শিকিবলৈ আৰু আগবাঢ়ি যাবলৈ উৎসাহিত হয়-তেনে মন্তব্যৰ পৰা বিৰত নহ'ব। আপুনি এনে মন্তব্য দিয়েনে ?

৪) বিদ্যালয়খনত উদ্ভাৱনমূলক ক্ৰিয়া-কলাপেৰে ৰূপান্তৰিত কৰি শিকন সংস্থালৈ ৰূপান্তৰিত বা পৰিবৰ্ত্তিত হ'বলৈ হলে মোৰ ভূমিকা কেনেধৰণৰ হোৱা উচিত ?

**বিশেষ টোকাঃ** আলোচনাৰ শেষত সিদ্ধান্ত গ্ৰহণ কৰি প্ৰতিশ্ৰুতিবদ্ধ হওক- আমাৰ দৃষ্টিভংগী অন্য বিদ্যালয়ৰ তুলনাত বেলেগ। এতিয়া আমি সকলো মিলি সংযোজন(Connection), সহযোগকৰণ

(Collaboration), প্ৰতিশ্ৰুতিবদ্ধ (Commitment) আৰু বৰঙনি (Contribution) আগবঢ়াম । এই ৪ টা C-ক শিক্ষণৰ মূলমন্ত্ৰ আৰু অভিকেন্দ্ৰ কিয়নো এই চাৰিটা কাৰ্যই শিক্ষাৰ মানক উন্নত কৰিবলৈ বৰঙণি যোগাব । আহক আমি সকলোৱে মিলি বিদ্যালয়ৰ উন্নয়নত আৰু ৰূপান্তৰকৰণত আমাৰ প্ৰচেষ্টাক ৰূপায়ণ কৰিবলৈ সহযোগিতা কৰি এক গোট হৈ কাৰ্যত আগ বাঢ়ো ।

বিদ্যালয়ৰ উন্নয়নৰ বাবে হতত লোৱা প্ৰথম কাৰ্যটোৱেই হল আমাৰ দৃষ্টিভংগী যৰ পৰা উন্নতিৰ যাত্ৰা আৰম্ভ হয় । সীমাৰ এক পটভূমি হৈছে দৃষ্টিভংগী যাক কাৰ্যকৰণৰ পৰিকল্পনা আৰু উন্নতিৰ দিশ প্ৰদৰ্শনৰ দ্বাৰা গভীৰ অনুশীলনৰ প্ৰয়োজন । আপোনাৰ দৃষ্টিভংগী প্ৰস্তুত কৰোতে সদায় দিশ প্ৰদৰ্শন আৰু পৰিকল্পনাৰ এক সময়সীমা অন্তৰ্গত কৰি ল'ব । আপুনি মনত ৰাখিব-

১) দৃষ্টিভংগীৰ বিবৃতিয়ে ভৱিষ্যতৰ সংকল্প সন্দৰ্ভত প্ৰতিফলন কৰাটো অতি প্ৰয়োজনীয় ।

২) দৃষ্টিভংগী হৈছে মূল্যবোধ পৰিচালিত শক্তি যাৰ দ্বাৰা আমি সকলোৱে শিকিব পাৰো, ছাত্ৰ-ছাত্ৰীৰ উন্নতি হ'ব পাৰে ।

**অনুশীলনৰ দ্বাৰা দৃষ্টিভংগী গঠন (Exercise on Vision Development):**

আমাৰ বিদ্যালয়খনৰ ভৱিষ্যত কি হ'ব ? আমি কলৈ নিব বিচাৰিছো কেইবছৰৰ পাছত বিদ্যালয়খন কি ৰূপত দেখিবলৈ পাম, আন আন বিদ্যালয়ৰ তুলনাত আমাৰ বিদ্যালয় স্থান কেনেধৰণৰ ? আহকচোন আমি এইক্ষেত্ৰত এক পৰিস্কাৰ আলোচনাত বহো ।

- আমাৰ বিদ্যালয়ৰ বৰ্তমান স্থিতি ক'ত ? উন্নয়নৰ কাৰণে আমি কি কি কাৰ্য সম্পাদন কৰিছো বা কৰিম ? লক্ষ্যত উপনীত হ'বলৈ কি কি কৰিম ?
- ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ আধাৰত বিদ্যালয়ৰ কমপ্লেক্সক উন্নয়ন কমিতিৰ মতে আমি মতামত দি আলোচনা কৰো আহক ।

আপোনাৰ বিদ্যালয়ৰ পৰা ১০ কি.মি. ব্যাসাৰ্ধৰ ভিতৰত থকা সকলো শিক্ষা অনুষ্ঠান যেনে- অংগনবাদী কেন্দ্ৰ, প্ৰাক্-প্ৰাথমিক , প্ৰাথমিক, মধ্য ইংৰাজী বিদ্যালয়, উচ্চ মাধ্যমিক বিদ্যালয়, উচ্চতৰ মাধ্যমিক বিদ্যালয়বোৰৰ এটা কমপ্লেক্স বা বিদ্যালয় গোটৰ অধীনত শিক্ষণতত্ত্বৰ ধাৰক প্ৰধান শিক্ষকৰ দায়িত্ব আৰু কৰ্তব্য পালনত বিভিন্ন ধৰণৰ উন্নয়ন কাৰ্যকলাপ নিহিত হৈ থাকে । শৈক্ষিক নেতা হিচাপে গোট নিয়াৰিকৈ পৰিচালনা কৰিবলৈ কমিতি, উপকমিতিবোৰৰ পৰ্যালোচনা, আলোচনা, সিদ্ধান্ত গ্ৰহণ আদি বিভিন্ন কাম নিয়াৰিকৈ কৰিব লাগিব । বিকেন্দ্ৰীকৰণ ব্যৱস্থাৰে শৈক্ষিক বাতাবৰণ উন্নত কৰিব লাগিব । আপুনি আপোনাৰ বিদ্যালয়খনৰ দৃষ্টিভংগী, উদ্দেশ্য আৰু লক্ষ্যবোৰ বাস্তবৰ লগত স্পষ্ট ধাৰণা উন্নত কৰিবলৈ বা ৰূপায়ণ কৰিবলৈ এই স্তৰ তিনিটা অতিক্ৰম কৰি আগবাঢ়ক-(১৫ মিনিট সময় ল'ব)

**প্ৰথম স্তৰঃ** আপোনাৰ বিদ্যালয়খন অহা ৫-৮ বছৰৰ পিছত কেনে স্থিতি হ'ব পাৰে ? বিদ্যালয়ৰ ৰূপৰেখা অংকন কৰক, গ্ৰাফিক বা স্তম্ভৰে উন্নতিৰ হাৰ প্ৰকাশ কৰক । আপোনাৰ মতামত দিয়ক ।

**দ্বিতীয় স্তৰঃ** আপোনাৰ আলোচনাৰ বক্তব্যখিনিকে লিখিত ৰূপ দি বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক, অভিভাৱকসকলক আৰু পৰিচালনা কমিতিৰ সদস্যসকলক বিভিন্ন বিদ্যালয়ৰ পৰা অহা সকলোকে অংশগ্ৰহণ নিশ্চিত কৰি সিদ্ধান্ত গ্ৰহণ কৰক ।

**তৃতীয় স্তৰঃ** বিদ্যালয়ৰ কামবোৰ নিয়াৰিকৈ সম্পাদন কৰিবলৈ ২-৪ জনীয় শিক্ষক দল গঠন কৰক । কামৰ ধাৰণা স্পষ্ট কৰি কৰ্মত আগবাঢ়ক । পৰিকল্পনা মতে মূল্যয়ন কৰক, প্ৰয়োজন হলে ক্ষেত্ৰ অধ্যয়ন কৰি পুনঃ মূল্যায়ন, সংশোধন, ৰূপান্তৰিতদিশত আগবাঢ়ি গৈ থাকক । লক্ষ্যত আপুনি গতি কৰিলেনে ?

**প্ৰতিফলনমূলক প্ৰশ্ন (Reflective Questions):**

১) বিদ্যালয়সমূহত কেনেধৰণে কি কি অৱস্থাত কেনেকৈ শিকন কাৰ্য সম্পন্ন হ'ব ?

২) শিক্ষণ-শিকন আৰু বিদ্যালয়ৰ মাজত সম্পৰ্কবোৰ কি কি ?

৩) শিকন কেৱল ছাত্ৰ-ছাত্ৰীৰ বাবেই নে ?

৪) শিক্ষক সকলোৱে সদায় পঢ়াৰ প্ৰয়োজন আছেনে ?

৫) ছাত্ৰ-শিক্ষক আৰু অভিভাবকৰ একত্ৰিত শিকন কাৰ্যবোৰ কি কি ?

৬) প্ৰধান শিক্ষক বা সহকাৰী শিক্ষক সদায় আগতীয়াকৈ শিকি আহিব লাগে বুলি আপুনি কিয় ভাবে ?

৭) শিকন প্ৰতিষ্ঠানত আত্ম-মূল্যায়নৰ ভূমিকা কি দৰে নিৰূপণ কৰিব ?

৮) আপোনাৰ শিকন প্ৰতিষ্ঠানখনত কি কি কাৰ্য কৰা হয় । কাৰ্যবোৰ লিপিবদ্ধ বা টোকা সম্পন্ন নে ?

৯) বিদ্যালয়ত স্বচ্ছতা আৰু সততাৰ সংস্কৃতিৰ বিকাশ সাধনৰ বাবে ক'ত কেনেকৈ উন্নয়নৰ প্ৰয়োজন ?

১০) বিদ্যালয়ত দক্ষ্য ব্যক্তি, সমল ব্যক্তি বা বিশেষজ্ঞ ব্যক্তিৰ দ্বাৰা তেখেতসকলৰ মতামত/বক্তব্যৰ টোকা/ৰিপৰ্ট লৈ কাৰ্যক্ষেত্ৰত আগবাঢ়েনে ?

**শিক্ষণতত্ত্বৰ ধাৰক প্ৰধান শিক্ষকলৈ বাৰ্তা (Key Message to Pedagogical Leaders):**

১) শৈক্ষিক নেতা হিচাপে আপুনি শিক্ষকসকলক, সহকৰ্মীসকলক বিভিন্ন কামৰ বাবে কেনেকৈ নিৰ্ব্বাচন কৰে ? আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটো হল- তেওঁলোকৰ, আপোনাৰ প্ৰতি আৰু বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি ভৱিষ্যতকলৈ প্ৰেৰণামূলক চিত্ৰ প্ৰদৰ্শন কৰি সকলোকে উৎসাহিত কৰা ।

২) কৰ্ম্মচাৰীসকলৰ বাবে দৃষ্টিভংগীৰ উন্নয়ন আৰু প্ৰস্তুতকৰণৰ ক্ষেত্ৰত সময় আৰু শক্তি খৰছ কৰিবলৈ কৰ্ম্মচাৰীসকলৰ বাবে স্থান প্ৰস্তুত কৰক ।

৩) বিদ্যালয়ভিত্তিক উন্নয়ন পৰিকল্পনাৰ দ্বাৰা বিদ্যালয়ৰ উন্নয়নৰ বাবে আপোনালোকৰ সমভাগী দৃষ্টিভংগীক সচাঁ অৰ্থত বিদ্যালয় অনুশীলনলৈ ৰূপান্তৰ কৰাটো হৈছে আপোনাৰ সৰ্বপ্ৰথম পদক্ষেপ।

প্ৰশাসনিক দিশৰ পৰা শৈক্ষিক দিশলৈ গতি কৰিবৰ কাৰণে প্ৰধান শিক্ষকজনে সদায় নিজৰ দক্ষতা বঢ়াব লাগে। কাৰণ নিজৰ ব্যক্তিগত দক্ষতা বৃদ্ধি হোৱা কাৰ্যটো অতিকৈ প্ৰয়োজনীয় । পিটাৰ চেঙে এটা সাক্ষাৎকাৰত কৈছিল “শিকন সংস্থা এজাক মানুহৰ দল যিয়ে তেওলোকৰ ক্ষমতা বা দক্ষতা বঢ়াবলৈ সমূহীয়াভাৱে একেলগে কাম কৰে যাতে তেওলোকে বিচৰা ধৰণে ফলাফল লাভ কৰিব পাৰে ।”

১) ব্যক্তিগত দক্ষতা (Personal Mastery)


২) মানসিক আৰ্হি (Mental Model)

৩) সমভাগী দৃষ্টিভংগী (Shared Vision)

৪) দলীয় শিকন (Team Learning)

৫) ব্যৱস্থাৰ চিন্তা-চৰ্চা (System Thinking)

শিক্ষকৰ ব্যক্তিগত দক্ষতা বৃদ্ধি কৰিবলৈ হ’লে নিম্নউল্লেখিত চক্ৰৰ দ্বাৰা বিদ্যালয়ৰ পৰিৱৰ্ত্তনত আলোকপাত কৰিব পাৰে ।



Source: পিটাৰ চেং- "দ্যা ফিফ্ট ডিচিপ্লিন ফিল্ডবুক" (The fifth discipline Field Book)

**প্ৰতিফলনমূলক প্ৰশ্ন (Reflective Questions):**

১) আপুনি আপোনাৰ লক্ষ্যসমূহক প্ৰতিদিন বা প্ৰতি সপ্তাহে নিজে নিৰূপণ কৰেনে ? পৰিবৰ্ত্তিত ৰূপত লক্ষ্যবোৰৰ দৃষ্টিভংগী ৰূপায়ণ কৰে নেকি ?

২) আপুনি শ্ৰেণীৰ শেষত, এটি আলোচনাৰ শেষত, এটা কাৰ্যৰ শেষত আপোনাৰ লক্ষ্য আৰু দৃষ্টিভংগীসমূহৰ লগত সংগতি ৰাখি আপুনি নিজে ৰূপায়ণ কৰা কামবোৰৰ মূল্যায়ন কৰে নেকি ?

৩) আপুনি বিদ্যালয়খনৰ প্ৰধান হিচাপে, শেষবাৰৰ কাৰণে কেতিয়া আপোনাৰ সহকৰ্ম্মীসকলৰ বাবে শিকনৰ এক পৰিকল্পনা হাতত লৈছিল ?

৪) বিদ্যালয়ৰ এজন নেতা হিচাপে আপুনি কেনেকৈ আপোনাৰ সহকৰ্মীসকলক সহাৰি দিব বিচাৰিছিল বা দিব ? তেখেতসকলৰ ব্যক্তিগত প্ৰাধান্যৰ লক্ষ্যবোৰ কেনেকৈ পদ্ধতিগতভাৱে দেখুৱাব বিচাৰিব?

৫) ব্যক্তিগত প্ৰাধান্যৰ নীতিসমূহক আপুনি কেনেকৈ তেখেতসকলৰ জীৱনত অনুশীলন কৰাৰ বাবে আপোনাৰ বিদ্যালয়ৰ পৰিৱেশত উৎসাহিত কৰিব ?

**মূখ্য বাৰ্তা (Key Message):**

ব্যক্তিগত দক্ষতা হৈছে নিজৰ আত্মসচেতনতা আৰু আত্ম ৰূপান্তৰকৰণৰ ক্ষমতা

**প্ৰতিফলনমূলক প্ৰশ্ন (Reflective Questions):**

১) TET উত্তীৰ্ণ শিক্ষকজন কৰ্মক্ষমতা আৰু যোগ্যতা থকা স্বত্ত্বেও আপুনি কিয় ভাবিলে বা ভাবে TET উত্তীৰ্ণ শিক্ষকজনে কেৱল উচ্চ-মাধ্যমিকৰ শ্ৰেণীত পঢ়ুৱাবলৈ আৰু বিদ্যালয়ৰ প্ৰশাসনিক কাৰ্যবোৰত ব্যস্ত থকাত সীমাবদ্ধ কৰিছিল ?

২) আপুনি কেনেধৰণে ব্যাখ্যা কৰিব-শিক্ষকৰ উপলব্ধি বা মানসিকতাই আমি কৰা কামবোৰৰ মাজত প্ৰভাৱ বিস্তাৰ কৰে ?

শিক্ষকসকলৰ লগত তেওঁলোকৰ মনোভাব আৰু বিশ্বাসৰ ধাৰণা বৃদ্ধি কৰিবলৈ আৰু মানসিক আৰ্হিৰ অনুশাসন গ্ৰহণ কৰিবলৈ তলৰ কাৰ্যাৱলী আপোনাৰ বিদ্যালয়ত প্ৰয়োগ কৰক-

**কাৰ্যঃ ১-** আমাৰ ধাৰণাসমূহ আৰু অনুমানসমূহক নিজৰ আৰু আনৰ আগত স্বচ্ছ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰক ।

**কাৰ্যঃ ২-** আমাৰ ব্যক্তিগত ছবিখনে বিদ্যালয়ৰ পৰিৱেশক লৈ কেনেধৰণৰৰ প্ৰভাৱ বিস্তাৰ কৰিব ?

**কাৰ্যঃ ৩-** আপোনাৰ ব্যক্তিগত মূল্যবোধৰ ছবিখনে নিজৰ মনত সংশোধনৰ চিন্তা মূকলি কৰেনে ?

**কাৰ্যঃ ৪-** আপোনাৰ নিজৰ আৰু আনৰ মনোভাব, বিশ্বাস লগতে উপলব্ধিবোৰক লৈ সজাগতা বৃদ্ধি কৰক । যি চিন্তা শক্তিৰ ব্যৱহাৰ আৰু কথোপকথনৰ ক্ষেত্ৰত প্ৰভাৱ বিস্তাৰ কৰে আৰু আপোনাৰ কৰ্মসূচী নিৰূপণ কৰে ।

**কাৰ্যঃ ৫-** আমাৰ কাৰ্যক্ষমতা বঢ়াবলৈ আমি ভাল শাসন আৰু কাৰ্যবোৰ মাজত ভাল দিশবোৰ প্ৰকাশৰ বাবে আমাৰ মানসিক আৰ্হিবোৰৰ ক্ৰমাগত মূল্যায়ন কৰিব লাগে ।

**<u>মূল বাৰ্তা (Key Message):</u>**

| |
|---|
| এজন শিক্ষণতত্ত্বৰ ধাৰক প্ৰশাসন আৰু ব্যৱস্থাপনাৰ পৰিসৰৰ বাহিৰত থাকি বিদ্যালয়ৰ ৰূপান্তৰকৰণ বা শিকনৰ পৰিৱেশ পৰিৱৰ্ত্তনৰ বাবে পৃষ্ঠপোষকতা কৰি নেতৃত্ব প্ৰদান কৰিবলৈ হলে উল্লিখিত এই ৫ টা কাৰ্য কৰি লক্ষ্যত নিজে উপনীত হ'বলৈ বাধ্য কৰাওক । |

**লক্ষ্যঃ ৪-** বিদ্যালয়খনৰ প্ৰয়োজনবোৰক পূৰ্ণতা প্ৰদান কৰি ।

**লক্ষ্যঃ ৩-** বিদ্যালয়ত উদ্ভাৱনীমূলক ক্ৰিয়া-কলাপ বৃদ্ধি কৰি ।

**লক্ষ্যঃ ২-** ছাত্ৰ-ছাত্ৰীসকলক শিকন সৰ্বোচ্চ স্তৰলৈ উন্নতি কৰি ।

**লক্ষ্যঃ ১-** মোৰ বিদ্যালয়খন মোৰ অনুপস্থিতিত সুকলমে পৰিচালনা কৰি মই অতিকৈ আনন্দিত হও ।

**প্ৰতিফলনমূলক প্ৰশ্ন (Reflective Questions):**

দৃষ্টিভংগী (Vision) আৰু অভিযানৰ (Mission) মাজত আপুনি কেনেকৈ পাৰ্থক্য কৰিব ? (How do you differentiate Vision from Mission?)

আমাৰ দৃষ্টিভংগীবোৰ কাৰ্যক্ষেত্ৰত ৰূপায়ণ কৰিবলৈকে অভিযান হাতত লোৱা হৈছে । দৃষ্টিভংগীবোৰে সদায় আমাৰ আহিব লগা দিনবিলাকৰ বিষয়ে কয় কিন্তু অভিযানে আমাৰ কি কি কাৰ্য সম্পাদন বা সমাধান কৰিবলৈ আছে, কাৰ্যপদ্ধতি কেনেধৰণৰ, এইটো কিয় ঘটিছে বা হৈছে আৰু কেনেধৰণৰ কৰ্মপদ্ধতিৰে কাম কৰিব লাগিব এনেধৰণৰ দিশবোৰত আলোকপাত কৰে ।

অভিযানৰ ব্যাখ্যাবোৰত সদায় দৃষ্টিভংগীক সামৰি কাৰ্য সম্পাদন কৰা হয় । দৃষ্টিভংগীক সংযোগ কৰাটো অভিযানৰ লক্ষ্য । কাৰ্যক্ষেত্ৰত গ্ৰহণ কৰা একোটা সৰু পদক্ষেপে দৃষ্টিভংগীৰ দিশলৈ গতি কৰাৰ ক্ষেত্ৰত এটা এটাকৈ সম্ভাব্য পথ প্ৰদৰ্শক হৈ থাকে ।

**কাৰণ, কৰ্ম আৰু প্ৰভাৱঃ** এই তিনিটা মৌল প্ৰতিটো অভিযানৰ দৃষ্টিভংগীত সংযোগ হৈ থাকে । কিছুমান অভিযানৰ বিবৃতিৰ সৰু সুৰা উদাহৰণ আছে যিবোৰ কাৰ্যকৰণৰ ডাঙৰ ডাঙৰ ধাৰণাসমূহত অন্তৰ্ভুক্ত হৈ থাকে ।

**সামৰণি (Summary and Conclusion):**

এতিয়ালৈকে কৰি অহা আলোচনাৰ পৰা আমি নিশ্চয়কৈ আমাৰ বিদ্যালয়খনৰ বাবে দৃষ্টিভংগী, অভিযান আৰু কাৰ্যসূচী কেনেদৰে সমাধান কৰিলে নিৰ্ধাৰিত লক্ষ্যত উপনীত হ'ব পৰা যাব সেই কথা আয়ত্তিত হৈছে । আমাৰ দৃষ্টিভংগীবোৰ বাস্তৱত ৰূপায়ণ কৰিবলৈ আৰু লক্ষ্যত উপনীত হ'বলৈ প্ৰধান শিক্ষকজনৰ নেতৃত্বৰ বিকাশৰ বিদ্যালয়ৰ কাৰ্যসূচীৰ পৰিপ্ৰেক্ষিত অৱস্থাত উপলব্ধি কৰক । দৃষ্টিভংগী গ্ৰহণ কৰাৰ সময়ত মনত ৰাখিবলগীয়া বা সম্পাদনীয় দিশত গ্ৰহণ কৰা কাৰ্যসমূহ বাস্তৱ ক্ষেত্ৰত ৰূপায়ণ কৰিব পৰাকৈহে গ্ৰহণ কৰিব লাগে । লক্ষ্যবোৰ গ্ৰহণ কৰোঁতে মনত ৰাখিব লাগিব-

ক) বিদ্যালয়ত কৰিবলৈ লোৱা কাৰ্যবিলাক এক নিৰ্দিষ্ট সময়ৰ ভিতৰত সম্পাদন কৰিব পৰা, আয়ত্ত কৰিব পৰা, উপলব্ধি কৰা, বাস্তৱত ৰূপায়ণ কৰা, মূল্যায়ন কৰিব পৰা, তিনি দিন, তিনি সপ্তাহ, ৫,৬,১২,৩৬,৬০ মাহৰ ভিতৰত শেষ কৰা, শেষত পৰ্যালোচনা কৰি আগবাঢ়িব পৰা আৰু বিদ্যালয়খনৰ উন্নতিৰ পৰিকল্পনা অৰিহনা দিয়া ধৰণৰ হ'ব লাগে ।

খ) বিদ্যালয়ৰ পৰিপেক্ষিতত প্ৰধান শিক্ষকে দৃষ্টিভংগী গ্ৰহণ কৰোতে সদায় উল্লিখিত দিশবোৰ মনত ৰাখিব । সকলো ব্যক্তিৰ লগত সংযোজন (Connection), সহযোগকৰণ (Collaboration), প্ৰতিশ্ৰুতিবদ্ধ (Commitment) আৰু বৰঙনি (Contribution) এই সকলোবোৰ হৈছে শিকনৰ মূল অভিকেন্দ্ৰ, কিয়নো এই চাৰিটাৰ কাৰ্যই শিক্ষাৰ মানক উন্নতি কৰিবলৈ বৰঙনি আগবঢ়ায় । আমি সকলোতে বিদ্যালয়ৰ উন্নয়ন আৰু ৰূপান্তৰকৰণৰ দিশত আমাৰ প্ৰচেষ্টাবোৰক শিকিবলৈ আৰু সহযোগিতা আগবঢ়াবলৈ এক গোট হও আহক ।

গ) বিদ্যালয়ৰ উন্নয়নৰ বাবে কৰা প্ৰথম কাৰ্যই হৈছে দৃষ্টিভংগী, যাৰ পৰা উন্নতিৰ আৰম্ভ হয় । দৃষ্টিভংগী হৈছে সীমাৰ এক পটভূমি যাক কাৰ্যকৰণৰ পৰিকল্পনা আৰু দিশ প্ৰদৰ্শন কৰিবলৈ গভীৰ অনুশীলনৰ প্ৰয়োজন হয় ।

ঘ) স্পটলাইট হিচাপে আপোনাৰ দৃষ্টিভংগী প্ৰস্তুত কৰোঁতে সদায় দিক্ প্ৰদৰ্শন আৰু পৰিকল্পনাৰ এক সময়সীমাত অনুশীলন হয় ।

**মনত ৰাখিব-**

১) দৃষ্টিভংগীৰ বিবৃতিয়ে ভৱিষ্যত সম্বন্ধীয় সংকল্প সন্দৰ্ভত প্ৰতিফলন কৰা অতি প্ৰয়োজনীয় ।

২) দৃষ্টিভংগী হৈছে মূল্যবোধ পৰিচালিত শক্তি যাৰ দ্বাৰা সকলোৱে শিকিব পাৰে, ছাত্ৰ-ছাত্ৰীৰ উন্নতি হ'ব পাৰে ।

সামৰণিত ক'ব পাৰি বিদ্যালয়ৰ নিশ্চিত দৃষ্টিভংগীৰে উদ্দেশ্যবোৰ কাৰ্যত ৰূপায়ণ কৰিলে বিদ্যালয়খনৰ পৰিমেয় উদ্দেশ্যসমূহ অৰ্জন কৰা বুলি ভাবিব পাৰি ।

দৃষ্টিভংগী প্ৰস্তুতকৰণৰ ক্ষেত্ৰত আপুনি আপোনাৰ বৰ্ত্তমানৰ ভূমিকাৰ দিশত থকা আশা-আকাংক্ষাসমূহক পুনৰীক্ষণ কৰিব লাগিব । আপোনাৰ নিজৰ দৃষ্টিভংগী আৰু দৃষ্টিভংগীৰ ক্ষেত্ৰত বোধগম্য হ'ব লাগিব ।

References:


1. School Leadership Development- A Hand Book, NIEPA-NCSL, 2014.
2. National Programme Design and Curriculum Framework, NIEPA-NCSL, 2014.
3. Resource Book- One Month Certificate Course in School Leadership and Management, NIEPA-NCSL, 2016
4. National Education Policy- 2020.